**প্ৰতিবেদনযোগ্য**

ভাৰতৰ উচ্চতম ন্যায়ালয়

ফৌজদাৰী আপীল অধিকাৰ ক্ষেত্ৰ

ফৌজদাৰী আপীল নং ১৪০১ চন ২০১২

চুবেদ আলী আৰু অন্যান্য ..............আপীলকাৰী (সকল)

বনাম

অসম ৰাজ্য ........... প্ৰতিপক্ষ (সমূহ)

**ৰায়**

**নবিন সিনহা, ন্যায়াধীশ**

উত্তৰ লক্ষীমপুৰৰ সত্ৰ ন্যায়াধীশে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/৩৪ (সংক্ষেপে, "আই. পি. চি") ৰ অধীনত আপীলকাৰীসকলক দোষী সাব্যস্ত কৰি তেওঁলোকক যাৱজ্জীৱন কাৰাদণ্ডৰ লগতে জৰিমনা আৰু ডিফল্ট চৰ্তৰ সৈতে শাস্তি প্ৰদান কৰা ৰায় উচ্চ ন্যায়ালয়ে নিশ্চিত কৰি কৰিছে। আপীলকাৰীসকলে এই আপীলৰ জৰিয়তে সেই ৰায়ক প্ৰত্যাহ্বান জনাইছে।

২. গোচৰীয়া পক্ষই অভিযোগ কৰিছিল মৃত আব্দুল মটিন আৰু আব্দুল বাৰেক নামৰ দুজন ব্যক্তিক ০৫.০৮.২০০৫ তাৰিখে নিশা প্ৰায় ০৬.০০ বজাত আনৰ সৈতে চাইকেলেৰে বজাৰৰ পৰা উভতি অহাৰ সময়ত আক্ৰমণ কৰা হৈছিল। আব্দুল বাৰেকৰ থিতাতে মৃত্যু হয় । সেইদিনা নিশা চিকিৎসা গ্ৰহণ কৰি থকা অৱস্থাত আব্দুল মতিনে চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। প্ৰথম অৱস্থাত এই গোচৰৰ সন্দেহযুক্ত ব্যক্তি হিচাপে ৫ জন লোকক চিনাক্ত কৰা হৈছিল । ৩ নং আৰু ৫ নং অভিযুক্তক দোষমুক্ত কৰা হয় কাৰণ তেওঁলোকক যুক্তিসংগত সন্দেহৰ উৰ্ধত দোষী সাব্যস্ত কৰিব পৰাকৈ পৰ্যাপ্ত প্ৰমাণ নাছিল। ৩ নং আৰু ৫ নং অভিযুক্তক দোষমুক্ত কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে আপীল কৰিছে নে নাই সেই সন্দৰ্ভত কোনো তথ্য উপলব্ধ নহয়।

৩. আপীলকাৰীসকলক প্ৰতিনিধিত্ব কৰা অধিবক্তা গৌৰৱ আগৰৱালাই যুক্তি আগবঢ়ায় যে যিহেতু একে সাক্ষ্য-প্ৰমাণৰ ভিত্তিত সন্দেহৰ বাবে অভিযুক্ত দুজনক দোষমুক্ত কৰা হৈছে, গতিকে একেটা কাৰণতে আপীলকাৰীসকলকো দোষমুক্ত কৰা উচিত। প্ৰত্যক্ষদৰ্শী পি ডব্লিউ ৫, ৬, ৭, আৰু ৯ য়ে প্ৰদান কৰা সাক্ষ্যৰ একাধিক অসামঞ্জস্য বা বৈপৰীত্য আছে। আন্ধাৰ হোৱাৰ পিছত এই ঘটনা সংঘটিত হয়, যিয়ে অপৰাধীক সঠিকভাৱে চিনাক্ত কৰিব পৰা ক্ষমতাৰ ওপৰত সন্দেহৰ সৃষ্টি কৰে, যিটো পি.ডব্লিউ.-৬ৰ জেৰাৰ সময়ত প্ৰকাশ পাইছে। পি ডব্লিউ-১-য়ে সাক্ষ্য দিছিল যে বাবুলাল আৰু আছগাৰ আলীয়ে তেওঁক কয় যে আপীলকাৰীসকলেই আক্ৰমণকাৰী। গোচৰীয়া পক্ষই দুয়োৰে কোনো এজনকো পৰীক্ষা কৰা নাই । প্ৰত্যক্ষদৰ্শীয়ে সাক্ষ্য দিছিল যে কেৱল ২ আৰু ৩ নং আপীলকাৰীয়েহে মৃতক দুজনক আক্ৰমণ কৰিছিল। ১ নং আপীলকাৰীৰ লগত অস্ত্ৰ আছিল বা তেওঁ মৃতকৰ কোনো এজনক আক্ৰমণ কৰিছিল বুলি কোনো অভিযোগ নাই। গতিকে ১ নং আপীলকাৰীৰ আন আপীলকাৰীসকলৰ সৈতে এক উমৈহতীয়া উদ্দেশ্য আছিল বুলি কোনো প্ৰমাণ পোৱা নাই। সেয়েহে ২ আৰু ৩ নং আপীলকাৰীয়ে মৃতক দুজনৰ ওপৰত কৰা আক্ৰমণৰ বাবে ব্যক্তিগতভাৱে দায়ী। উদ্ধাৰ হোৱা সামগ্ৰীসমূহ আপীলকাৰীৰ পৰা উদ্ধাৰ কৰা বুলি বিশ্বাস হোৱা নাই। শেষত যুক্তি দিয়া হৈছে যে ভাৰতীয় দণ্ডবিধিৰ ৩৪ নং ধাৰাত কোনো অভিযোগ গঠন কৰা হোৱা নাই।

৪. ৰাজ্যক প্ৰতিনিধিত্ব কৰা অধিবক্তাই যুক্তি দিছিল যে প্ৰত্যক্ষদৰ্শীসকলে পি ডব্লিউ ৫, ৬, ৭, আৰু ৯ য়ে একেধৰণে সাক্ষ্য দিছে যে অভিযুক্ত (আপিলকাৰী)সকল এই আক্ৰমণৰ সৈতে জড়িত আছিল। অধিবক্তাগৰাকীয়ে এইটো যুক্তিও আগবঢ়ায় যে পৰ্যাপ্ত প্ৰমাণৰ অভাৱৰ বাবে (সন্দেহৰ পৰা পোৱা লাভালাভ) আন দুজন সহ-অভিযুক্ত দোষমুক্ত হ'লেও ইয়াৰ দ্বাৰা আপীলকাৰীসকলৰ কোনো লাভ নহয় কাৰণ তেওঁলোকৰ বিৰুদ্ধে থকা প্ৰমাণসমূহ যথেষ্ট শক্তিশালী আৰু স্পষ্ট। অধিবক্তাগৰাকীয়ে আৰু যুক্তি দিছিল যে আপীলকাৰীসকলৰ অপৰাধ সংঘটিত কৰাৰ এক উমৈহতীয়া উদ্দেশ্য আছিল, যিটো তেওঁলোকে অস্ত্ৰ লৈ ভুক্তভোগীসকলৰ বাবে অপেক্ষা কৰি থকা আৰু বজাৰৰ পৰা উভতি অহাৰ সময়ত তেওঁলোকক ৰখাই আক্ৰমণ সংঘটিত কৰি তেওঁলোকৰ মৃত্যুৰ ঘটোৱা আদিয়ে প্ৰমাণ কৰিছিল।

৫. গোচৰটোত দুয়োপক্ষই প্ৰদৰ্শন কৰা যুক্তি বা প্ৰমাণ আমি পৰ্যালোচনা কৰিছো। মৃতক দুজন ৫, ৬, ৭ আৰু ৯ নং সাক্ষীৰ সৈতে বজাৰৰ পৰা উভতি আহিছিল । আপীলকাৰীসকলে মৃতক দুজনক ৰাস্তাত ৰখায় আৰু তাৰ পিছত আক্ৰমণ কৰে। আব্দুল বাৰেকৰ থিতাতে মৃত্যু হয় । মৃতকৰ মৰণোত্তৰ পৰীক্ষাৰ কৰা পি ডব্লিউ- ৮ য়ে মৃতকৰ দেহত তলত দিয়া আঘাত বোৰ পাইছিল :

মৰণোত্তৰ পৰীক্ষাৰ সময়ত মৃতকৰ বাওঁ ভৰিখন বাওঁ ভৰিৰ গোৰোহাৰ গাঁঠিৰ পৰা ৮ চে.মি. ওপৰত কাটি পেলোৱা দেখা গৈছিল । ভৰিখন কাটি পেলোৱা ঠাইখিনি প্ৰায় ৬ চে.মি. বাই ৪ চে.মি. জোখৰ । ভৰিৰ দুয়োডাল হাড়ত স্পষ্ট কটা জখম দেখা গৈছিল। ভৰিৰ পেশী আৰু প্ৰধান ৰক্তবাহী নলীবোৰ সম্পূৰ্ণৰূপে কাটি যোৱা বা আঘাত হোৱা দেখা হৈছিল। ভৰিৰ যি অংশ কাটিছিল সেই অংশতো একে ধৰণৰ আঘাত হৈছিল। লোকজনৰ এই আঘাত মৃত্যুৰ পূৰ্বে হোৱা আঘাত। শৰীৰৰ আন অংগবোৰৰ সুস্থ পোৱা গৈছিল।

৬) একেদৰে পি ডব্লিউ- ১০ য়ে আব্দুল মটিনৰ মৰণোত্তৰ পৰীক্ষা কৰিছিল, আৰু তেওঁৰ দেহত তলত দিয়া আঘাত বোৰ পাইছিল :

> ওপৰৰ আৰু তলৰ ৬ নং অংগত ৰিগ'ৰ মৰ্টিছ দেখা গৈছিল। শৰীৰটো বৰ শেঁতা আছিল আৰু ভৰি দুখনত কেইবাটাও কটা জখম দেখা গৈছিল। বাওঁ ভৰিখন গোৰোহাৰ পৰা প্ৰায় ১ ইঞ্চিমান ওপৰত কাটি ভৰিৰ পৰা সম্পূৰ্ণৰূপে পৃথক হৈ গৈছিল যিটো মৰণোত্তৰ পৰীক্ষাৰ সময়ত মৃতদেহৰ সৈতে পোৱা নগ'ল।
>
> ১. ভৰিৰ গোৰোহাৰ পৰা প্ৰায় ১ ইঞ্চিমান ওপৰত বাওঁ ভৰিখনত কাটি যোৱা অংশটো বাওঁ ভৰিৰ পৰা সম্পূৰ্ণৰূপে পৃথক হৈ গৈছিল । কাটি যোৱা অংশটো হাড়, ছাল, কোমল টিচু, নাড়ী কটা গৈছিল যাৰ ফলত ব্যাপক ৰক্তক্ষৰণ হৈছিল । সকলো আঘাত চোকা অস্ত্ৰেৰে কৰা হৈছিল। পেশী, লিগামেণ্ট, নাড়ীবোৰো কটা গৈছিল।
>
> ২. সোঁ ভৰিৰ ওপৰৰ আৰু মাজৰ সূতাৰ সংযোগস্থলত আগফালৰ অংশত প্ৰায় ২" আকাৰৰ তিৰ্যকভাৱে আৰু ছাল কাটি পেলোৱা কটা জখম। সোঁ টিবিয়া আৰু পেশী আৰু নাড়ীৰ মধ্যৱৰ্তী অংশ কটা গৈছিল আৰু ৰক্তক্ষৰণ হৈছিল।
>
> ৩. সোঁ ভৰিৰ মাজৰ অংশৰ সন্মুখৰ ভিতৰৰ ফালে প্ৰায় ২ ইঞ্চি দীঘল আন এটা কটা জখম পোৱা গৈছিল। এই জখম বাহিৰৰ ছালৰ মাজেৰে গৈছিল, সোঁ শিনব'ন (টিবিয়া) ভাঙি গৈছিল আৰু যথেষ্ট ৰক্তক্ষৰণ হৈছিল। কলাফুলৰ পেশীবোৰো কটা গৈছিল।

৪. সোঁ ভৰিৰ গোৰোহাৰ বাহিৰৰ ফালে হেলনীয়াকৈ প্ৰায় ৩ ১/২ ইঞ্চি দীঘল কটা জখম। এই জখম সোঁ ভৰিখন গোৰোহাৰ পৰা প্ৰায় দুই তৃতীয়াংশ এৰাই গৈছিল। ছাল, ফাইবুলাৰ তলৰ মূৰ (ভৰিৰ হাড়), লিগামেণ্ট, পেশী, ৰক্তবাহী নলী আৰু গোৰোহাৰ হাড়ৰ ওপৰৰ অংশ (কেলকেনিয়াছ) সকলো কটা গৈছিল, যাৰ ফলত ৰক্তক্ষৰণ হৈছিল।

সকলো আঘাত মৃত্যুৰ পূৰ্বে হোৱা আঘাত আছিল। শৰীৰৰ আন অংগবোৰ সুস্থ হৈ থকা দেখা গ'ল।

৭. পি.ডব্লিউ.-১ গাঁওবুঢ়াৰ মৌখিক তথ্যৰ ভিত্তিত ০৫.০৮.২০০৫ তাৰিখে নিশা ০৯.০০ বজাত উত্তৰ লখিমপুৰ থানাৰ দৈনিক পঞ্জীত এটা দৰজ অন্তৰ্ভুক্ত কৰা হৈছিল যে কেইজনমান অচিনাকি ব্যক্তিয়ে মৃতক দুজনক আক্ৰমণ কৰিছিল, যাৰ ফলত এজনৰ ঘটনাস্থলীতে মৃত্যু হৈছিল, আৰু আনজনক চিকিৎসালয়লৈ লৈ যোৱা হৈছিল। ০৬.০৮.২০০৫ তাৰিখ বিয়লি ৩:১৫ বজাত মৃতক সকলৰ এজনৰ ভাতৃয়ে আহত ব্যক্তিজনৰ মৃত্যুৰ পিছত এই গোচৰৰ আপীলকাৰীকে ধৰি পাঁচজন লোকক সন্দেহযুক্ত বুলি উল্লেখ কৰি আনুষ্ঠানিকভাৱে এখন এজাহাৰ দাখিল কৰিছিল।

৮. এই পাঁচজন অভিযুক্ত ব্যক্তিৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ১৪৭, ৩৪১, আৰু ৩০২ ধাৰাত আনুষ্ঠানিকভাৱে অভিযোগ উত্থাপন কৰা হৈছে। ভাৰতীয় দণ্ডবিধিৰ ৩৪১ ধাৰাত উত্থাপিত অভিযোগ প্ৰমাণিত হোৱা নাই বুলি ধৰি লোৱা হৈছিল। সত্ৰ ন্যায়াধীশে সাক্ষী পি.ডব্লিউ -১ আৰু পি.ডব্লিউ -৫ য়ে দিয়া সাক্ষ্যৰ ভিত্তিত, ৩ আৰু ৫ নং অভিযুক্তক দোষমুক্ত বুলি ঘোষণা কৰে কাৰণ তেওঁলোক ঘটনাটোত প্ৰকৃততে জড়িত আছিল নে নাই সেই বিষয়ে সন্দেহ আছিল । অভিযুক্তৰ সংখ্যা পাঁচজনতকৈ কম হোৱাৰ বাবে বাকী অভিযুক্তসকলক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/৩৪ ৰ অধীনত দোষী সাব্যস্ত কৰা হয়। যদিও সহ-অভিযুক্ত দুজনক প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্যৰ ভিত্তিত দোষমুক্ত কৰা হৈছিল, তথাপিও ইয়াৰ দ্বাৰা বাকী অভিযুক্তসকলৰ কোনো সহায় নহয় কাৰণ তেওঁলোকৰ বিৰুদ্ধে শক্তিশালী প্ৰমাণ আছে। প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্যত সৰু সৰু পাৰ্থক্য আৰু বৈপৰীত্যক অপ্ৰয়োজনীয় বুলি গণ্য কৰা হয়। গোচৰৰ সকলো গুৰুত্বপূৰ্ণ কথাতে প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্য সামঞ্জস্যপূৰ্ণ, গতিকে তেওঁলোকৰ সাক্ষ্য বিশ্বাসযোগ্য। ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/৩৪ৰ অধীনত অভিযুক্তক দোষী সাব্যস্ত কৰাৰ ক্ষেত্ৰত আমি কোনো অসুবিধা পোৱা

নাই । কৰ্ণাইল সিং বনাম পঞ্জাব ৰাজ্য, ১৯৫৪ চনৰ এছচিআৰ ৯০৪ গোচৰত তলত দিয়া ধৰণে সিদ্ধান্ত লোৱা হৈছিল:

> "৮. যদি ধাৰা ১৪৯ৰ অধীনত অভিযোগ প্ৰমাণৰ বাবে প্ৰয়োজনীয় তথ্য আৰু সাক্ষ্য ধাৰা ৩৪ৰ অধীনত অভিযোগৰ বাবে প্ৰয়োজনীয় তথ্য আৰু সাক্ষ্য একে হয়, তেন্তে ধাৰা ৩৪ৰ অধীনত অভিযুক্তৰ বিৰুদ্ধে অভিযোগ নকৰিলে তেওঁলোকৰ গোচৰৰ কোনো ক্ষতি নহ'ব। এনে পৰিস্থিতিত ধাৰা ১৪৯ৰ ঠাইত ধাৰা ৩৪ কৰাটো আনুষ্ঠানিক পৰিৱৰ্তন বুলি গণ্য কৰা হয় আৰু ইয়াৰ ফলত গোচৰৰ বিষয়বস্তুত কোনো প্ৰভাৱ নপৰে"।

৯. পি.ডব্লিউ.- ১ এই ঘটনাৰ প্ৰত্যক্ষ সাক্ষী নহয়। বাবুল আলী আৰু আছগাৰ আলীক গুচৰীয়া পক্ষই পৰীক্ষা নকৰাটো অপ্ৰাসংগিক নহয় কাৰণ তদন্তকাৰী বিষয়া (পি.ডব্লিউ. ১২) ৰ পৰা পোৱা সাক্ষ্য (পি.ডব্লিউ. ১২) অধিক গুৰুত্বপূৰ্ণ। যেতিয়া গুচৰীয়া পক্ষই তেওঁক সোধা-পোছা কৰিছিল তেতিয়া তেওঁ কৈছিল যে পি.ডব্লিউ. ১ য়ে তদন্তৰ সময়ত তেওঁক এনে জবানবন্দী দিয়া নাছিল।

১০. পি.ডব্লিউ.- ৫ মৃতক দুজনৰ লগত আছিল আৰু ঘটনাৰ প্ৰত্যক্ষদৰ্শী আছিল। তেওঁ কৈছিল যে সেই সময়ত মানুব চিনিব পৰাকৈ যথেষ্ট পোহৰ আছিল । জেৰাৰ সময়ত তেওঁ কয় যে ১নং আপীলকাৰীয়ে লোক দুজনক ৰখাইছিল আৰু তাৰ পিছত দ্বিতীয় ২নং আপীলকাৰীয়ে আব্দুল বাৰেকৰ ভৰিত চোকা অস্ত্ৰৰে আক্ৰমণ কৰিছিল। দ্বিতীয় মৃতক আব্দুল মতিনে আপীল নং ৩ৰ দ্বাৰা আঘাতপ্ৰাপ্ত হোৱাৰ পিছত পলাবলৈ চেষ্টা কৰিছিল যদিও আক্ৰমণকাৰীয়ে তেওঁক খেদি খেদি মামুদ আলীৰ ঘৰৰ ওচৰত ধৰিছিল। কিন্তু এই সাক্ষীজন নিজৰ সুৰক্ষাৰ বাবে ভয় খাই পলাই গৈছিল। পিছত তেওঁ গম পালে যে ব্যক্তি দুজনৰ মৃত্যু হৈছে।

১১. ৬, ৭, আৰু ৯ নং সাক্ষীয়েও কয় যে ১নং আপীলকাৰীয়ে মৃতকক ৰখাইছিল, ২নং আপীলকাৰীয়ে আব্দুল বাৰেকক 'দাও'ৰে আক্ৰমণ কৰিছিল যাৰ ফলত আব্দুল বাৰেকৰ লগে লগে মৃত্যু হৈছিল। আপীলকাৰী নং ৩ য়ে আব্দুল মটিনক আক্ৰমণ কৰি আঘাত কৰে। আঘাতপ্ৰাপ্ত ব্যক্তিজনে ঘটনাস্থলীৰ পৰা পলাবলৈ চেষ্টা কৰে। অভিযুক্তসকলে তেওঁক খেদি খেদি মামুদ আলীৰ ঘৰৰ ওচৰত ধৰি নিৰ্মমভাৱে আক্ৰমণ কৰিছিল। তাৰ পিছত তেওঁক

আব্দুল বাৰেক পৰি থকা ঠাইলৈ টানি লৈ যোৱা হৈছিল । আহত ব্যক্তিজনক চিকিৎসালয়লৈ লৈ যোৱা হৈছিল আৰু সেই নিশাই তেওঁৰ মৃত্যু হয়। মানুহক চিনাক্তকৰণত প্ৰভাৱ পেলোৱা আন্ধাৰৰ সন্দৰ্ভত সাক্ষী ৬ ৰ জেৰাৰ সাক্ষ্য অপ্ৰাসংগিক কাৰণ সাক্ষী ৫, ৭, আৰু ৯ সকলোৱে একে সাক্ষ্য দিছিল যে সূৰ্যাস্তৰ পিছত সন্ধিয়া আছিল কিন্তু মানুহক চিনিব নোৱাৰা আন্ধাৰ হোৱা নাছিল । যিয়েই নহওক, যিহেতু ঘটনাত জড়িত লোকসকলে ইজনে সিজনক চিনি পাইছিল, গতিকে কম পোহৰতো তেওঁলোকে ইজনে সিজনক যে চিনিব পাৰিছিল তাত কোনো সন্দেহ নাই।

১২. সেয়েহে আমি যে ১নং আপীলকাৰী আৰু ২নং আপীলকাৰীৰ উপস্থিতি আৰু মৃতক দুজনক আক্ৰমণ কৰাৰ ওপৰত হোৱা সন্দেহ নকৰাৰ কোনো কাৰণ বিচাৰি পোৱা নাই যাতে সন্দেহৰ ভিত্তিত দোষমুক্ত কৰা আন অভিযুক্তৰ দৰে তেওঁলোককো সন্দেহৰ সুবিধা প্ৰদান কৰি দোষমুক্ত কৰিব পাৰি, যাৰ কাৰণ হল যে দোষমুক্ত হোৱা আন অভিযুক্তৰ বিৰুদ্ধে কোনো আপীল কৰা হোৱা নাই।

১৩. আমি শ্ৰী আগৰৱালৰ যুক্তি বিবেচনা কৰিব লাগিব যে আপীল নং ১ক দোষমুক্ত কৰা উচিত কাৰণ তেওঁৰ আপীল নং ২ আৰু ৩ৰ সৈতে এক উমৈহতীয়া উদ্দেশ্য নাছিল, যিসকল নিজৰ কাৰ্য্যৰ বাবে নিজে দায়ী। উমৈহতীয়া উদ্দেশ্যত কেইবাজনো ব্যক্তিয়ে একেলগে কাম কৰি এটা উমৈহতীয়া উদ্দেশ্য সাধন কৰে, যদিও তেওঁলোকৰ ভূমিকা বেলেগ বেলেগ হ'ব পাৰে। ব্যক্তিজনৰ ভূমিকা সক্ৰিয় আছিল নে নিষ্ক্ৰিয় আছিল সেয়া ডাঙৰ কথা নহয়; গুৰুত্বপূৰ্ণ কথাটো হ'ল যদি তেওঁলোকৰ এটা উমৈহতীয়া উদ্দেশ্য আছিল। উমৈহতীয়া উদ্দেশ্যৰ প্ৰত্যক্ষ প্ৰমাণ প্ৰায়েই পোৱা নাযায়। সাধাৰণতে অংশগ্ৰহণকাৰীসকলৰ বিৰুদ্ধে উপলব্ধ সামগ্ৰিক প্ৰমাণ চাই গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ পৰা তেওঁলোকৰ উমৈহতীয়া উদ্দেশ্য অনুমান কৰা হয়। উমৈহতীয়া উদ্দেশ্যৰ ভিত্তিত দোষী সাব্যস্ত হোৱাৰ ভেটিটো প্ৰতিনিধি দায়বদ্ধতাৰ নীতিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে, যাৰ দ্বাৰা এজন ব্যক্তিক আনৰ কাৰ্য্যৰ বাবে জবাবদিহি বুলি ধৰা হয়, যাৰ সৈতে তেওঁ উমৈহতীয়া উদ্দেশ্যৰ অংশীদাৰ আছিল। যদি স্পষ্টভাৱে প্ৰমাণিত হয় যে কোনোবাই সেই কাৰ্য্য সংঘটিত কৰাৰ উদ্দেশ্য আছিল, তেন্তে দোষী সাব্যস্ত হোৱাৰ বাবে

সেয়াই যথেষ্ট, যদিও তেওঁলোকে শাৰীৰিকভাৱে আক্ৰমণত অংশগ্ৰহণ কৰা নাছিল। সেয়েহে উমৈহতীয়া উদ্দেশ্যৰ ভিত্তিত কোনো ব্যক্তিক দোষী সাব্যস্ত কৰাৰ আগতে তেওঁ আক্ৰমণৰ শাৰীৰিক কাৰ্য্যকলাপত সক্ৰিয়ভাৱে জড়িত হোৱাটো প্ৰয়োজনীয় নহয়। যদি প্ৰমাণৰ প্ৰকৃতিয়ে পূৰ্বনিৰ্ধাৰিত পৰিকল্পনা আৰু সমন্বিত কাৰ্য্য দেখুৱায় তেন্তে সেয়া উমৈহতীয়া উদ্দেশ্য ধৰি ল'ব পাৰি। গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি এক নিৰ্দিষ্ট ফলাফল লাভ কৰাৰ উমৈহতীয়া উদ্দেশ্যও মানুহৰ মাজত হঠাতে গঢ় লৈ উঠিব পাৰে। অভিযুক্তসকলে ঘটনাস্থলীত একত্ৰিত হোৱাটো, তেওঁলোকৰ  কোনাবাৰ হাতত অস্ত্ৰ থাকিব বা আক্ৰমণ কৰাৰ ধৰণ, আৰু তেওঁলোকৰ সক্ৰিয় বা নিষ্ক্ৰিয় ভূমিকা আদি অনুমান কৰাৰ বাবে ভিত্তি কৰা কিছুমান কাৰক।

১৪) ৰামাস্বামী অব্যংগ বনাম ষ্টেট অৱ টি.এন. (১৯৭৬) ৩ এছচিচি ৭৭৯ গোচৰত উমৈহতীয়া উদ্দেশ্য প্ৰতিষ্ঠা কৰিবলৈ ইয়াক তলত দিয়া ধৰণে পৰ্যবেক্ষণ কৰা হৈছিল-

> ১২. ...এটা অপৰাধত জড়িত বিভিন্ন লোকে বেলেগ বেলেগ কাম কৰিব পাৰে, কিন্তু সকলোৱেই কোনোবা নহয় কোনোবা প্ৰকাৰে অপৰাধত অংশগ্ৰহণ কৰিব লাগিব। উদাহৰণস্বৰূপে এজন ব্যক্তিয়ে হয়তো আনক ভুক্তভোগীক সহায় কৰাত বাধা দিবলৈহে পহৰা দি থিয় দিব পাৰে, বা তেওঁলোকে আন কোনো ধৰণে অপৰাধটো সম্পন্ন কৰাত সহায় কৰিব পাৰে। পোনপটীয়াকৈ অপৰাধ সংঘটিত কৰাসকল যিমান দায়ী,এনে ব্যক্তিয়েও অপৰাধৰ বাবে দৰে সমানে দায়ী । শাৰীৰিক হিংসাৰ সৈতে জড়িত অপৰাধৰ ক্ষেত্ৰত অৱশ্যে ৩৪ নং ধাৰা প্ৰয়োগৰ বাবে অপৰিহাৰ্য যে অপৰাধ সংঘটিত কৰিবলৈ উচটনি দিয়া বা সহায় কৰা ব্যক্তিজন অপৰাধৰ প্ৰকৃত সংঘটিত স্থানত শাৰীৰিকভাৱে উপস্থিত থাকিব লাগিব । অপৰাধৰ লগত জড়িত প্ৰতিজন ব্যক্তিৰ উদ্দেশ্য হৈছে এটা নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱা। অপৰাধস্থলীত উপস্থিত থকা আৰু যিকোনো প্ৰকাৰে সহায় কৰা ব্যক্তিক প্ৰকৃততে অপৰাধত অংশগ্ৰহণ কৰা বুলি গণ্য কৰা হয়। ধাৰা ৩৪ ত জড়িত সকলোৱে একে সময়তে একেলগে অপৰাধৰ কাম কৰি এটা নিৰ্দিষ্ট ফলাফল লাভ কৰিবলৈ ঐক্যমতত উপনিত হোৱাটো। অপৰাধ সংঘটিত কৰাৰ এই ঐক্যমত ধটনাস্থলীতো হ'ব পাৰে যত সকলোৱে মিলি ইয়াৰ সিদ্ধান্ত লয়....

১৫. নন্দু ৰাস্তোগী বনাম বিহাৰ ৰাজ্য, (২০০২) ৮ এছচিচি ৯, গোচৰত উমৈহতীয়া উদ্দেশ্যৰ বাবে অনুমান কৰাৰ সন্দৰ্ভত এই আদালতে তলত দিয়া ধৰণে পৰ্যবেক্ষণ কৰিছিল :

"১৭. ........সিহত একেলগে আহি পালেহি। সাক্ষীয়ে যাতে বাধা দিব নোৱাৰে তাৰ বাবে দুজনে পহৰা দি আছিল। আন তিনিজনে মৃতকক ভিতৰলৈ লৈ যায় আৰু এজনে গুলীয়াই হত্যা কৰে। গুলীচালনাৰ পিছত সকলোৱে একেলগে পলাই গ'ল। ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩৪ৰ অধীনত আইনী অভিযোগ প্ৰযোজ্য হ'বলৈ হ'লে জড়িত প্ৰতিজন ব্যক্তিয়ে ভুক্তভোগীক প্ৰত্যক্ষভাৱে আক্ৰমণ কৰাটো বাধ্যতামূলক নহয়। অপৰাধ সংঘটিত কৰাৰ বাবে তেওঁলোকৰ সকলোৰে লক্ষ্য একে আছিল বুলি প্ৰমাণ কৰিলেই যথেষ্ট। অপৰাধটো সংঘতিত কৰাত প্ৰতিজন ব্যক্তিয়ে নিজৰ নিৰ্ধাৰিত ভূমিকা পালন কৰিছিল"।

১৬) সুৰেন্দ্ৰ চৌহান বনাম মধ্যপ্ৰদেশ ৰাজ্য (২০০০) ৪ এছচিচি ১১০ গোচৰত আদালতে লক্ষ্য কৰিছিল যে প্ৰত্যক্ষ বা শাৰীৰিক হিংসাৰ কাৰ্য্যত  জড়িত নহ'লেও সকলোৰে উমৈহতীয়া উদ্দেশ্য আছিল বুলি প্ৰমাণ কৰিবলৈ প্ৰয়োজন নহয়।

"১১. ধাৰা ৩৪ অনুসৰি কোনোবাই যদি অপৰাধ সংঘটিত কৰাত সহায় কৰি আছে তেন্তে অপৰাধ সংঘটিত হোৱাৰ সময়ত শাৰীৰিকভাৱে উপস্থিত থকাটো প্ৰয়োজন। জড়িত সকলোৱে একেলগে পৰিকল্পনা কৰা অপৰাধটো সংঘতিত কৰাত সহায় কৰিবলৈ তেওঁলোক উপস্থিত থকাটো প্ৰয়োজনীয়। যদি কোনা ব্যক্তি উপস্থিত থাকে আৰু পৰিকল্পিত অপৰাধটো সংঘতিত কৰাত কিবা ধৰণে সহায় কৰে তেন্তে তেওঁলোকৰ উপস্থিতিৰ অৰ্থ হ'ল তেওঁলোকক অপৰাধত সক্ৰিয়ভাৱে জড়িত। ধাৰা ৩৪ৰ মূল ধাৰণাটো হ'ল অপৰাধৰ লগত জড়িত সকলোৱে একমত হ'ব লাগিব আৰু এটা নিৰ্দিষ্ট ফলাফল লাভ কৰিবলৈ একেটা লক্ষ্য হব লাগিব। এনে ঐকমত্য অপৰাধৰ স্থানতে গঠন কৰিব পাৰি আৰু জড়িত সকলো পক্ষই একে ফলাফলৰ লক্ষ্য ৰাখিব পাৰে"।

১৭. নন্দ কিশোৰ বনাম মধ্যপ্ৰদেশ ৰাজ্য, (২০১১) ১২ এছচিচি ১২০ গোচৰতো একেধৰণে পৰ্যবেক্ষণ কৰা হৈছিল।

১৮.  এই গোচৰত দেখা যায় যে ১নং আপীলকাৰীয়ে আৰু আন দুজনৰ সৈতে অস্ত্ৰ লৈ অপেক্ষা কৰি আছিল । ১নং আপীলকাৰীয়ে বজাৰৰ পৰা উভতি অহা দুজন লোকক ৰখাইছিল। দুয়োজন লোক থমকি ৰোৱাৰ পিছতে আক্ৰমণ আৰম্ভ হৈছিল। টকাৰ সন্দৰ্ভত যে কিবা বিবাদ আছিল সেয়া সাক্ষীৰ সাক্ষ্যৰ পৰা স্পষ্ট হৈছে । এই হিংসাত্মক আক্ৰমণৰ

ফলস্বৰূপে আব্দুল বাৰেকৰ থিতাতে মৃত্যু হয় । আব্দুল মতিনে ৩নং আপীলকাৰীয়ে প্ৰথমে কৰা আক্ৰমণত আঘাতপ্ৰাপ্ত হৈছিল আৰু তাৰ পিছত তেওঁ পলাবলৈ চেষ্টা কৰিছিল। ১নং আপীলকাৰী আৰু আন আক্ৰমণকাৰীয়ে আব্দুল মটিনক পিছে পিছে খেদিছিল আৰু মামুদ আলীৰ ঘৰৰ ওচৰত ধৰিছিল। তাৰ পিছত অভিযুক্তসকলে আব্দুল মতিনক আব্দুল বাৰেক পৰি থকা ঠাইলৈ টানি লৈ যায়। আমি বিশ্বাস কৰোঁ যে ১নং আপীলকাৰীয়ে অপৰাধ সংঘটিত কৰাৰ উমৈহতীয়া উদ্দেশ্যে থকাটো প্ৰমাণ কৰিবলৈ আৰু কোনো সাক্ষ্য-প্ৰমাণৰ প্ৰয়োজন নাই। গতিকে আমি ১নং আপীলকাৰীয়ে কাকো শাৰীৰিকভাৱে আক্ৰমণ কৰা নাছিল বুলি দিয়াৰ যুক্তিৰ ভিত্তিত কিবা সুবিধা দিয়াৰ কোনো কাৰণ দেখা নাপাওঁ, কিয়নো ইয়াৰ দ্বাৰা অপৰাধ সংঘটিত কৰাত থকা তেওঁৰ উমৈহতীয়া উদ্দেশ্য থকাটো অস্বীকাৰ কৰা হব।

১৯) ফলস্বৰূপে আমি আপীলকাৰীসকলৰ দোষী সাব্যস্তকৰণ আৰু শাস্তিৰ ক্ষেত্ৰত হস্তক্ষেপ কৰাৰ কোনো কাৰণ বিচাৰি নাপাওঁ। গতিকে আপীল খাৰিজ কৰা হয়।

.................. ন্যায়াধীশ

[আৰ. এফ. নৰীমন]

....................... ন্যায়াধীশ

[নভিন সিনহা]

...................... ন্যায়াধীশ

[ইন্দিৰা বেনাৰ্জী]

নতুন দিল্লী;

৩০ ছেপ্টেম্বৰ ২০২০

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes,

the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হ’ব।”)